

# অমিত শ্বাহ অধ্যক্ষ হৈ থকা বেংকত জমা হৈছিল সৰ্বাধিক নিষিদ্ধ নোট

## বিমুদ্ৰাকৰণৰ বিতৰ্কক নতুন ৰূপ দিলে আৰ টি আই কৰ্মীয়ে

## দেশজুৰি তোলপাৰ ঃ মোদীলৈও সন্দেহৰ আঙুলি কংগ্ৰেছৰ

**ক'লাধন,** সন্ত্ৰাসবাদী পুঁজি আৰু জালনোট ধ্বংসৰ উদ্দেশ্যে ২০১৬ৰ আঠ নৱেম্বৰৰ নিশা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুৰণি পাঁচশ আৰু এহেজাৰটকীয়া নোট নিষিদ্ধ ঘোষণা কৰে। এই বিমুদ্ৰাকৰণৰ সফলতাক লৈ বৰ্তমানেও বিতৰ্ক অব্যাহত আছে। আনকি কংগ্ৰেছকে ধৰি একাংশ বিৰোধী দলে বিমুদ্ৰাকৰণে দেশৰ অৰ্থনীতিৰ মেৰুদণ্ড ভাঙি পেলোৱা বুলি সৰৱ হৈ আছে। এনে এক সময়তে প্ৰধানমন্ত্ৰী মোদী সমন্বিতে বিজেপিক অধিক বিব্ৰত কৰা এক তথ্য পোহৰলৈ আহিছে। মনোৰঞ্জন এছ ৰয় নামৰ এজন লোকে তথ্য জনাৰ অধিকাৰ আইন (আৰ টি আই)ৰ অধীনত আবেদন কৰি পোৱা তথ্য অনুসৰি বিমুদ্ৰাকৰণৰ সময়ত দেশৰ সকলো সমবায় বেংকৰ ভিতৰতে সৰ্বোচ্চ ধন জমা হয় গুজৰাটৰ এটা বিশেষ সমবায় বেংকত। মাথোঁ পাঁচদিনৰ ভিতৰতে উক্ত সমবায় বেংকত ৭৪৫.৫৯ কোটি টকা জমা হয়। লক্ষ্যণীয় যে এই বেংকৰ অধ্যক্ষৰ দায়িত্বত আছে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি অমিত শ্বাহ। বিমুদ্ৰাকৰণৰ সময়তো শ্বাহেই বেংকটোৰ অধ্যক্ষৰ দায়িত্বত আছিল। সম্প্ৰতি সমগ্ৰ দেশবাসীৰ মাজত চৰ্চা অৰ্জন কৰা এই সমবায় বেংকটো হ'ল আহমেদাবাদ জিলা সমবায় বেংক।

লক্ষ্যণীয় যে মোদীয়ে বিমুদ্ৰাকৰণ ঘোষণা কৰাৰ পাছত নিষিদ্ধ পাঁচশ আৰু এহেজাৰটকীয়া নোট বেংকত জমা দিয়াৰ কেতবোৰ নীতি-নিয়ম বান্ধি দিয়ে। কিন্তু সমবায় বেংকসমূহৰ জৰিয়তে ক'লাধন মজুতকাৰীয়ে অসৎ পথেৰে আহৰণ কৰা ধন বগা কৰাৰ আশংকা কৰি একাংশ সৰৱ হৈ উঠে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সমবায় বেংকসমূহৰ নিষিদ্ধ নোট জমা লোৱাৰ কৰ্তৃত্ব বাতিল কৰে। কিন্তু তেতিয়ালৈ পাঁচদিন পাৰ হৈ যায়। অৰ্থাৎ প্ৰধানমন্ত্ৰীৰ ঘোষণা অনুসৰি ২০১৬ৰ ১০ ডিচেম্বৰৰ পৰা বেংকত নিষিদ্ধ নোট জমা দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হয়। তেতিয়াৰে পৰা ১৪ নৱেম্বৰলৈ বিভিন্ন সমবায় বেংকেও নিষিদ্ধ পাঁচশ আৰু এহেজাৰটকীয়া নোট গ্ৰহণ কৰে। এই পাঁচদিনতে বিজেপি সভাপতি শ্বাহে অধ্যক্ষৰ দায়িত্বত থকা আহমেদাবাদ জিলা সমবায় বেংকত অবিশ্বাস্যভাৱে ৭৪৫.৫৯ কোটি টকাৰ নিষিদ্ধ পাঁচশ আৰু এহেজাৰটকীয়া নোট জমা হয়। সেয়েহে সম্প্ৰতি প্ৰশ্ন উঠিছে যে স্বয়ং বিজেপি সভাপতিজনেই অধ্যক্ষৰ দায়িত্বত থকা উক্ত সমবায় বেংকৰ জৰিয়তে অসাধু লোকে শ শ কোটি টকাৰ ক'লাধন বৈধ কৰিবলৈ সক্ষম হ'ল নেকি? এই সম্পৰ্কত বিজেপি নেতৃত্বই বৰ্তমানলৈ কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। লক্ষ্যণীয়ভাৱে আজি দেশৰ অধিকাংশ সংবাদ মাধ্যমে ৱেবছাইটত এই বাতৰি প্ৰকাশ কৰে যদিও বাতৰিটো প্ৰকাশৰ কিছু সময়ৰ পাছতে অধিকাংশ ৱেবছাইটে বাতৰিটো আঁতৰাই পেলায়। ইয়াক লৈয়ো দেশজুৰি চৰ্চা হৈছে।

অৱশ্যে কেৱল শ্বাহে অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰি থকা আহমেদাবাদ জিলা সমবায় বেংকতে নহয়, বিমুদ্ৰাকৰণৰ সময়ত গুজৰাটৰ আন কে'বাটাও সমবায় বেংকত অবিশ্বাস্য অংকৰ ধন জমা হয়। প্ৰধানমন্ত্ৰী মোদী আৰু বিজেপি সভাপতি শ্বাহৰ গৃহ ৰাজ্যখনক বাদ দি আন কোনো ৰাজ্যতে এনে বৃহৎ অংকৰ ধনৰ নিষিদ্ধ নোট বিমুদ্ৰাকৰণৰ সময়ত জমা হোৱা নাছিল। এনেদৰে গুজৰাটৰ সমবায় বেংকসমূহত মাথোঁ পাঁচদিন (২০১৬ৰ ১০ নৱেম্বৰৰ পৰা ১৪ নৱেম্বৰলৈ)ত জমা হোৱা নিষিদ্ধ নোটৰ ধনৰ পৰিমাণ তিনি হেজাৰ কোটিৰো অধিক টকা। উক্ত লোকজনৰ আৰ টি আই আবেদনতে দেশজুৰি আলোড়ন সৃষ্টিকাৰী এই তথ্য পোহৰলৈ আহিছে। তেওঁৰ আৰ টি আইৰ আবেদনৰ আন এক তথ্য অনুসৰি ২০১৭ত আহমেদাবাদ জিলা সমবায় বেংকত ৫,০৫০ কোটি টকা জমা হয়। ফলত ২০১৬-১৭ত বেংকটোৱে ১৪.৩১ কোটি টকাৰ লাভ অৰ্জন কৰে।

আহমেদাবাদ জিলা সমবায় বেংকৰ দৰে বিমুদ্ৰাকৰণৰ প্ৰথম পাঁচদিনত ৰাজকোট জিলা সমবায় বেংকতো অবিশ্বাস্য অংকৰ পাঁচশ আৰু এহেজাৰটকীয়া নোট জমা হয়। ৰাজকোট জিলা সমবায় বেংকৰ অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰি আছে গুজৰাটৰ মন্ত্ৰী জয়েশভাই বিথলভাই ৰাডাডিয়াই। বিমুদ্ৰাকৰণৰ সময়তো মন্ত্ৰী ৰাডাডিয়া উক্ত সমবায় বেংকৰ অধ্যক্ষৰ দায়িত্বত আছিল। সমবায় বেংকটোত জমা হোৱা নিষিদ্ধ নোটৰ মূল্য আছিল ৬৯৩.১৯ কোটি টকা। লক্ষ্যণীয় যে ৰাজকোট হৈছে গুজৰাট বিজেপিৰ ৰাজনীতিৰ অভিকেন্দ্ৰ। ৰাজকোটৰ পৰাই প্ৰথমবাৰৰ বাবে ২০০১ত বিধায়ক নিৰ্বাচিত হৈছিল প্ৰধানমন্ত্ৰী মোদী।

উক্ত সমবায় বেংক দুটাত অনিয়মৰ মাজেৰে অসাধু লোকে নিষিদ্ধ পাঁচশ আৰু এহেজাৰটকীয়া নোট বিপুল পৰিমাণত জমা কৰা বুলি কংগ্ৰেছে অভিযোগ তুলিছে। আৰ টি আই কৰ্মী ৰয়ে প্ৰকাশ কৰা অনুসৰি শ্বাহ আৰু মন্ত্ৰী ৰাডাডিয়া অধ্যক্ষৰূপে থকা বেংক দুটাত মাথোঁ পাঁচদিনত ১৪শৰো অধিক কোটি টকাৰ নিষিদ্ধ নোট জমা হোৱাৰ বিপৰীতে গুজৰাট ৰাজ্যিক সমবায় বেংকত মাথোঁ এক কোটি ১১ লাখ টকাহে জমা হৈছিল। সেয়েহে আহমেদাবাদ জিলা সমবায় বেংক আৰু ৰাজকোট জিলা সমবায় বেংকে বিমুদ্ৰাকৰণৰ সময়ত পালন কৰা ভূমিকাক লৈ সম্প্ৰতি দেশজুৰি সন্দেহৰ আঙুলি উঠিছে। আৰ টি আইৰ অধীনত কৰা আবেদনৰ ভিত্তিত ৰয়ক এই তথ্য প্ৰদান কৰিছে সমবায় বেংকসমূহক নেতৃত্ব দিয়া নাবাৰ্ডৰ মুখ্য মহাপ্ৰবন্ধক তথা আপিল কৰ্তৃপক্ষ এছ ছাৰাৱানাৰেলে।

পোহৰলৈ অহা তথ্য অনুসৰি গুজৰাটৰ সমবায় বেংকসমূহত বিমুদ্ৰাকৰণৰ সময়ত মাথোঁ পাঁচদিনত এই বৃহৎ অংকৰ ধন জমা হোৱাৰ বিপৰীতে দেশৰ আন কোনো স্থানতে বিমুদ্ৰাকৰণৰ প্ৰথম পাঁচদিনত এনে বৃহৎ অংকৰ ধন সমবায় বেংকত জমা হোৱা নাছিল। আৰ টি আই কৰ্মীজনে প্ৰকাশ কৰা তথ্য অনুসৰি বিমুদ্ৰাকৰণৰ পাছত ৰাষ্ট্ৰীয়কৃত বেংকসমূহে ৰিজাৰ্ভ বেংকক ৭.৫৭ লাখ কোটি টকাৰ নিষিদ্ধ নোট জমা দিয়ে। আনহাতে, ৩২টা ৰাজ্যিক বেংকে ইয়াৰ সমগ্ৰ দেশত থকা শাখাসমূহৰ জৰিয়তে সংগ্ৰহিত ৬,৪০৭ কোটি টকাৰ নিষিদ্ধ নোট কেন্দ্ৰীয় বেংকক জমা দিয়ে। ৩৯টা ডাকঘৰে জমা দিয়া নিষিদ্ধ নোটৰ পৰিমাণ আছিল ৪,৪০৮ কোটি টকা। ইয়াৰ বিপৰীতে গুজৰাটৰ সমবায় বেংকসমূহে জমা দিয়া নিষিদ্ধ নোটৰ পৰিমাণ ৩,৩৬২ কোটি টকা আছিল। ইয়াৰ দ্বাৰাই গুজৰাটতে ক'লাধন মজুতকাৰীয়ে নিষিদ্ধ নোট বৈধ কৰাৰ সুযোগ লাভ কৰা বুলি কংগ্ৰেছকে ধৰি একাংশ বিৰোধী দল সৰৱ হৈ উঠিছে।

**বিমুদ্ৰাকৰণৰ সাত মাহৰ পাছত কিয় জমা লৈছিল নিষিদ্ধ নোট?**

লক্ষ্যণীয় যে প্ৰধানমন্ত্ৰী মোদীয়ে নিষিদ্ধ নোট জমা দিয়াৰ বাবে প্ৰথমে বান্ধি দিয়া ৫০ দিনৰ সময়সীমা উকলি যোৱাৰ পাছত একাংশই এই দিন বৃদ্ধিৰ বাবে সৰৱ হৈছিল। এনেদৰে সৰৱ হোৱাসকলৰ অধিকাংশই আছিল বিজেপিৰ সহযোগী। বিভিন্ন অজুহাত দি এইসকলে নিষিদ্ধ নোট বেংকত জমা দিয়াৰ বাবে সময় নোপোৱা বুলি সৰৱ হৈ উঠে। এই দাবী বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত মোদী চৰকাৰে কংগ্ৰেছকে ধৰি একাংশ বিৰোধী দলৰ বিৰোধিতাক আওকাণ কৰি বিমুদ্ৰাকৰণৰ কমেও সাত মাহ পাৰ হোৱাৰ পাছত যোৱা বছৰৰ মাজভাগত ৩২টা ৰাজ্যিক সমবায় বেংক আৰু ৩৭০টা জিলা সমবায় বেংকক ৰিজাৰ্ভ বেংকক নিষিদ্ধ নোট জমা দিয়াৰ এক সুযোগ প্ৰদান কৰে। এই সুযোগ 'ছিংগল উইণ্ড' মুকলি কৰি সীমিতৰূপত নিষিদ্ধ নোট জমা দিবলৈ উক্ত বেংকসমূহক প্ৰদান কৰা হয়। এই সুযোগ লৈও একাংশ অসাধু লোকে ক'লাধন বৈধ কৰিবলৈ সক্ষম হোৱা বুলি অভিযোগ উত্থাপন হৈছে। ইয়াৰ কাৰণ হৈছে বিজেপি নেতৃত্বাধীন চৰকাৰ থকা মহাৰাষ্ট্ৰ ৰাজ্যিক সমবায় বেংকে নিষিদ্ধ নোট জমা দিয়াৰ এই বৰ্ধিত সময়ত দেশৰ ভিতৰতে সৰ্বাধিক ১,১২৮ কোটি টকাৰ নিষিদ্ধ নোট ৰিজাৰ্ভ বেংকক জমা দিয়ে। ৫৫টা শাখাত জমা হোৱা নিষিদ্ধ নোটৰ এই বিপুল অংকৰ ধন ৰাজ্যখনৰ সমবায় বেংকে জমা দিবলৈ সক্ষম হোৱাটোৱে বহুতৰে চকু কপালত উঠিছে। উক্ত সময়ছোৱাত ঝাৰখণ্ড ৰাজ্যিক সমবায় বেংকেও ইয়াৰ পাঁচটা শাখাত জমা হোৱা নিষিদ্ধ নোটৰ ৫.৯৪ কোটি টকা ৰিজাৰ্ভ বেংকক জমা দিয়ে। এনেদৰেও একাংশ ক'লাধন মজুতকাৰীয়ে অসৎ পথেৰে আৰ্জিত ধন বৈধ কৰিবলৈ সক্ষম হোৱা বুলি দেশজুৰি চৰ্চা হৈছে। ইয়াৰ বিপৰীতে সাধাৰণ লোকে ক'লাধন নাশ হোৱাৰ সপোন দেখি হাতত থকা কষ্টোপাৰ্জিত ধন জমা দিয়াৰ নামত দুৰ্ভোগ ভুগিবলগীয়া হ'ল।

---

# পাথলগড়ী আন্দোলন



## ছয় ৰাজ্যক কঁপাইছে আদিবাসীৰ অভিনৱ আন্দোলনে



**ঝাৰখণ্ডত** আদিবাসী অঞ্চল খুটি জিলাত নাৰী সৰবৰাহৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিবলৈ গৈ এটা স্বেচ্ছাসেৱী সংগঠনৰ ১১ জনীয়া সদস্যৰ দলে লোমহৰ্ষক পৰিস্থিতিৰ সন্মুখীন হ'ল। স্থানীয় একাংশ লোকে স্বেচ্ছাসেৱী সংগঠনটোৰ পুৰুষ সদস্যসকলক প্ৰহাৰ কৰি নিৰ্যাতন চলোৱাৰ লগতে পাঁচগৰাকী মহিলা সদস্যক অস্ত্ৰ প্ৰদৰ্শনৰে অপহৰণ কৰি নি দলবদ্ধ ধৰ্ষণ কৰে। প্ৰথম অৱস্থাত এই ঘটনা দুষ্কৃতিকাৰীয়ে সংঘটিত কৰা বুলি আৰক্ষীয়ে ধাৰণা কৰিছিল যদিও পাছত এই অপকৰ্মৰ স'তে আদিবাসীৰ অধিকাৰৰ দাবীত আন্দোলন চলোৱা একাংশ নেতা জড়িত থকাৰ তথ্য পোহৰলৈ আহিছে। ঝাৰখণ্ডৰ এই অঞ্চলত সম্প্ৰতি পাথলগড়ী নামৰ এক আন্দোলনে উগ্ৰ ৰূপ ধাৰণ কৰিছে। পাথলগড়ী আন্দোলনৰ জৰিয়তে ইয়াৰ সমৰ্থকসকলে চৰকাৰী প্ৰতিষ্ঠান আৰু সা-সুবিধা বৰ্জনৰ আহ্বান জনোৱাৰ লগতে আদিবাসীসকলৰ বাবে স্বায়ত্তশাসনৰ অধিকাৰৰ দাবী উত্থাপন কৰি আহিছে। পাথলগড়ী আন্দোলনে ঝাৰখণ্ডৰ লগতে মধ্য প্ৰদেশ, চত্তিছগড়, ওড়িছা, তেলেংগানা আৰু পশ্চিমবংগৰ কিছু অঞ্চলত প্ৰভাৱিত কৰিছে। উল্লেখ্য যে এই আটাইকেইখন ৰাজ্যই নক্সালবাদৰ সমস্যাটোৰ দ্বাৰা প্ৰভাৱিত হৈ আহিছে। বিগত এবছৰমানৰ পৰা আদিবাসী অঞ্চলসমূহত পাথলগড়ী আন্দোলন ব্যাপক হৈ উঠিছে। আদিবাসী মহাসভা নামৰ এটা সংগঠনে এখন গাঁৱৰ প্ৰৱেশদ্বাৰত এডোখৰ বিশাল শিলত 'ইয়াত গ্ৰামসভাৰ শাসন চলে আৰু সকলো চৰকাৰী নিৰ্দেশনা, চৰকাৰী প্ৰতিষ্ঠানৰ কোনো স্বীকৃতি ইয়াত প্ৰযোজ্য নহয়' বুলি খোদিত কৰি ঘোষণা কৰিছিল। ইয়াৰ পাছৰে পৰা ছয় ৰাজ্যৰ বিভিন্ন আদিবাসী অঞ্চলত এইদৰে বিভিন্ন আদিবাসীয়ে চৰকাৰী প্ৰতিষ্ঠান আৰু সা-সুবিধা প্ৰত্যাখ্যান কৰি গ্ৰামসভা তথা জনজাতীয় শাসনৰ সপক্ষে শিলত ঘোষণা খোদিত কৰি এক আন্দোলনৰ আৰম্ভ কৰিছিল। এই আন্দোলনৰ সমৰ্থকসকলৰ মতে, লোকসভা অথবা বিধানসভা সৰ্বোচ্চ নহয়, বৰঞ্চ গ্ৰামসভাহে সবাতোকৈ শীৰ্ষত। নিজৰ এই দাবীৰ সন্দৰ্ভত পাথলগড়ী আন্দোলনৰ সমৰ্থকে ভাৰতীয় সংবিধানৰ ১৩ (৩) অনুচ্ছেদৰ কথাও উল্লেখ কৰিছে। ইমানদিনে পাথলগড়ী আন্দোলনে সংশ্লিষ্ট ৰাজ্য ছখনত শ্ল'গান আদিতে সীমাবদ্ধ আছিল যদিও স্বেচ্ছাসেৱী সংগঠনৰ পাঁচ মহিলা সদস্যক যোৱা মঙলবাৰে ঝাৰখণ্ডত এই আন্দোলনৰ সমৰ্থকে ধৰ্ষণ কৰা ঘটনাৰ পাছত দেশজুৰি পাথলগড়ী আন্দোলনে বিশেষ চৰ্চা লাভ কৰিছে।

### পাথলগড়ীৰ অৰ্থ কি?

আদিবাসী সমাজত পাথলগড়ীৰ প্ৰচলন পুৰণি কালৰে পৰা হৈ আহিছে। গাঁও বা ভূমিৰ সীমাংকন, মৃত ব্যক্তিৰ স্মৃতি ৰক্ষা, বিশেষ ঘটনাৰ স্মৃতি ৰক্ষা আদি কাৰণত আদিবাসীসকলে সদায় প্ৰকাণ্ড শিলাখণ্ড ব্যৱহাৰ কৰি আহিছে। এনে শিল নিৰ্দিষ্ট স্থানত ৰাখি তাত বিভিন্ন শ্ল'গান, চিহ্ন আদি অংকন কৰি আদিবাসী সমাজে পূজা-অৰ্চনা কৰাও দেখা যায়। বিভিন্ন সিদ্ধান্তৰ কথা ঘোষণা কৰা, সামূহিক স্বীকৃতি প্ৰদানৰ কথাও প্ৰকাশৰ বাবে আদিবাসী সমাজত শিলৰ ব্যৱহাৰেৰে পাথলগড়ী ব্যৱস্থাৰ সহায় লোৱা হয়। সাধাৰণতে মুণ্ডা, চাওতাল, হো, খড়িয়া আদি আদিবাসীৰ সমাজত পাথলগড়ী পদ্ধতি সৰ্বাধিক প্ৰচলিত হৈ আহিছে। ভাৰতত পাথলগড়ী আন্দোলনৰ তথ্য যোৱা বছৰৰ আগষ্টত পোহৰলৈ আহিছিল। ঝাৰখণ্ডৰ ৰাঁচীৰ পৰা ৪০ কিলোমিটাৰ নিলগত অৱস্থিত খুটিৰ জিলাৰ একাংশ গাঁও স্বায়ত্তশাসন প্ৰদানৰ দাবীৰে আদিবাসী নেতাই শিলত নিৰ্দেশনা খোদিত কৰিছিল। এই অঞ্চলৰ বাসিন্দাই শিলত খোদিত কৰি ঘোষণা কৰিছিল যে অঞ্চলটোত এতিয়াৰে পৰা আদিবাসীৰ বাহিৰে আন লোকক প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। চৰকাৰী বিষয়া আদিক অঞ্চলটোত বৰ্জন কৰাৰ কথাও এই শিলালিপিত উল্লেখ কৰা হৈছিল। পাথলগড়ী আন্দোলনৰ সমৰ্থকে এইসমূহ অঞ্চলত চৰকাৰে প্ৰদান কৰা বিভিন্ন সা-সুবিধা যেনে ৰেচন কাৰ্ড, আধাৰ কাৰ্ড, ভোটাৰ পৰিচয় পত্ৰ, চৰকাৰী বিদ্যালয়, চৰকাৰী চিকিৎসালয় আদি বৰ্জন কৰিবলৈ আহ্বান জনাই আহিছে। নক্সাল প্ৰভাৱিত এইসমূহ অঞ্চলত শেহতীয়াভাৱে গঢ় লৈ উঠা পাথলগড়ী আন্দোলনে স্বাভাৱিকতে সংশ্লিষ্ট ছয় ৰাজ্যৰ চৰকাৰৰ লগতে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়কো চিন্তিত কৰি তুলিছে।

### কোনসমূহ ৰাজ্য কেনেদৰে প্ৰভাৱিত হৈছে?



যোৱা বছৰৰ আগষ্টত ঝাৰখণ্ডৰ খুটি জিলাত পাথলগড়ী আন্দোলনৰ সূত্ৰপাত ঘটাৰ খবৰ লাভৰ পাছতে আৰক্ষী উক্ত স্থানত উপস্থিত হৈছিল। কিন্তু স্থানীয় লোকে থানাৰ বিষয়াসহ আৰক্ষীকেইজনক বন্দী কৰি ৰাখে। ইয়াৰ পাছত জিলাখনৰ আৰক্ষী অধীক্ষক অশ্বিনী কুমাৰে ৩০০ ৰো অধিক আৰক্ষীসহ অঞ্চলটোত উপস্থিত হৈছিল যদিও আন্দোলনকাৰীয়ে তেওঁলোককো বন্দী কৰি ৰাখে। পিছদিনা খুটি জিলাৰ উপায়ুক্তই অঞ্চলটোত উপস্থিত হৈ গাঁওবাসীৰ স'তে দীঘলীয়া আলাপ আলোচনাৰ অন্তত আটাইকে মুক্ত কৰিবলৈ সক্ষম হৈছিল। এয়াই আছিল পাথলগড়ী আন্দোলনৰ প্ৰথমটো বৃহৎ ঘটনা। দেশজুৰি অব্যাহত থকা পাথলগড়ীৰ কেন্দ্ৰ আছিল গুজৰাটৰ তাপি জিলাৰ কটাখান নামৰ অঞ্চলটো। গুজৰাট আৰু মহাৰাষ্ট্ৰৰ সীমান্তত থকা এই অঞ্চলটোত ভিল আদিবাসী সম্প্ৰদায়ৰ লোকে বাস কৰে। এই অঞ্চলৰে নিবাসী কোঁৱৰ কেশৰী সিঙক এই আন্দোলনৰ অন্যতম প্ৰতিষ্ঠাপক হিচাপে জনা যায়। পেছাত অধিবক্তা সিঙে আদিবাসীসকলৰ স্বায়ত্তশাসনৰ দাবীৰে পাথলগড়ী আন্দোলনৰ সূত্ৰপাত ঘটাইছিল। ঝাৰখণ্ডত ৯০ খনৰো অধিক গাঁৱক এই আন্দোলনে প্ৰভাৱিত কৰিছে আৰু ৰাজ্যখনত পাথলগড়ী আন্দোলনে শেহতীয়াভাৱে অধিক আগ্ৰাসী ৰূপ ধাৰণ কৰিছে। এইসমূহ অঞ্চলত চৰকাৰী বিষয়াৰ প্ৰৱেশ নিষিদ্ধ হোৱাৰ লগতে চৰকাৰী সা-সুবিধা, আঁচনিৰ ৰূপায়ণতো আন্দোলনৰ সমৰ্থকে বাধা দি আহিছে। ঝাৰখণ্ডত ইউছুফ নামৰ এজন আন্দোলনকাৰীয়ে পাথলগড়ীৰ নেতৃত্ব দি আহিছে। চত্তিছগড়ত যোৱা বছৰৰ নৱেম্বৰত পাথলগড়ী আন্দোলনৰ সূত্ৰপাত হৈছিল আৰু সম্প্ৰতি বলদেৱ সিঙৰ নেতৃত্বত ৰাজ্যখনত এই আন্দোলনে গা কৰি উঠিছে। আন্দোলনকাৰীসকলৰ নিজা সেনাবাহিনী থকাৰ লগতে প্ৰতি বছৰে তেওঁলোকে এবাৰকৈ ৰাজসভা অনুষ্ঠিত কৰি আহিছে। এইসকল আন্দোলনকাৰীয়ে ভাৰত চৰকাৰক স্বীকাৰ নকৰে। গুজৰাটত পাথলগড়ী আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰিছে কোঁৱৰ কেশৰী সিঙৰ পুত্ৰ ৰাজেন্দ্ৰ কেশৰীয়ে। আনহাতে ওড়িছাত এই আন্দোলনৰ নেতৃত্ব বীৰমিত্ৰাপুৰ বিধায়ক জৰ্জ তিৰ্কীয়ে বহন কৰিছে। তিৰ্কীয়ে পাথলগড়ী আন্দোলনৰ সমৰ্থনত শ্ল'গান দি ঘোষণা কৰিছে এইদৰে 'হিন্দুস্তান, পাকিস্তান আমাক নালাগে, আমাক লাগে আদিবাসীস্তান।' এইজন নেতাই দেশত 'ট্ৰাইবেল কৰিড'ৰ' গঠন কৰিবলৈকো দাবী উত্থাপন কৰিছে।

এতিয়ালৈকে পাথলগড়ী আন্দোলনত অংশ লোৱা কমেও ৫০ জন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। তদুপৰি এনে আন্দোলনত জড়িত হোৱাৰ অভিযোগত ১৫০০ ৰো অধিক আন্দোলনকাৰীৰ বিৰুদ্ধে আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰিছে। ভাৰতীয় সংবিধান উলংঘন কৰাৰ অভিযোগ এইসকল আন্দোলনকাৰীৰ বিৰুদ্ধে উত্থাপিত হৈছে। অৱশ্যে ঝাৰখণ্ডত এই আন্দোলনে উগ্ৰৰূপ ধাৰণ কৰিলেও আনকেইখন ৰাজ্যত এতিয়াও পাথলগড়ী আন্দোলনে ব্যাপক ৰূপ লোৱ নাই। বাকীকেইখন ৰাজ্যত আদিবাসী অঞ্চলত পাথলগড়ী পৰম্পৰা প্ৰচলিত হ'লেও চৰকাৰ অথবা চৰকাৰী সেৱাক গাঁওবাসীয়ে বৰ্জন কৰা নাই।

### আইনে কি কয়?

পাথলগড়ী আন্দোলনত অংশ লোৱা নেতাসকলৰ মতে, আদিবাসী অঞ্চল অনুসূচিত ক্ষেত্ৰ হয় আৰু এনে অঞ্চলত সংবিধানৰ ১৩ (৩) অনুচ্ছেদ অনুসৰি সংসদ বা বিধানসভাত গৃহীত আইন প্ৰত্যক্ষভাৱে বলৱৎ কৰিব নোৱাৰি। আদিবাসী সমাজ আজিও নিজৰ প্ৰচলিত প্ৰথাৰে পৰিচালিত হৈ আহিছে বুলি যুক্তি দৰ্শাই এইসকল পাথলগড়ী আন্দোলনৰ সমৰ্থকে কয় যে আদিবাসীসকলক কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে বলপূৰ্বক আইন জাপি দিব নোৱাৰে। আদিবাসী অঞ্চলৰ স্বশাসনত গুৰুত্ব দি এই আন্দোলনৰ সমৰ্থকে কয় যে সংসদ বা বিধানসভাৰ পৰিৱৰ্তে দেশৰ আদিবাসী তথা জনজাতীয় অঞ্চলত গ্ৰামসভাৰ শাসনহে চলিব লাগে। উল্লেখ্য যে ২০০৬ৰ বন অধিকাৰ আইন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে ৰায় দি কৈছিল যে গ্ৰামসভাই গাঁও এখনৰ সংস্কৃতি, পৰম্পৰা, বিশ্বাস, প্ৰাকৃতিক সম্পদ আদিৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা লোৱাৰ সম্পূৰ্ণ অধিকাৰ আছে। এই দিশৰ পৰা গ্ৰামসভাই উক্ত গাঁৱৰ বাহিৰৰ লোকক গাঁওখনত প্ৰৱেশৰ ক্ষেত্ৰত বাধা আৰোপ কৰিব পাৰে বুলিও পাথলগড়ী আন্দোলনৰ সমৰ্থকে যুক্তি দৰ্শাইছে। 'চৰকাৰী কাৰ্যালয়ৰ পৰা আৰম্ভ কৰি চহৰাঞ্চলৰ বিভিন্ন বাসগৃহত 'বিনা অনুমতিত প্ৰৱেশ নিষেধ' বুলি লিখা থাকে আৰু এয়া সকলোৰে বাবে গ্ৰহণযোগ্য। তেন্তে গ্ৰামসভাই এনে ধৰণৰ স্থিতি লোৱাত আপত্তি কিয়? আদিবাসী অঞ্চলত জনজাতিয়ে কৰ আদায়, আইন তৈয়াৰ, শাসন কৰাৰ অধিকাৰ লাভ কৰা উচিত। ভাৰত চৰকাৰৰ ১৯৩৫ৰ আইনে এই অধিকাৰ আদিবাসীসকলক প্ৰদান কৰিছিল আৰু এই অধিকাৰ আজিৰ ভাৰতত আদিবাসীয়ে লাভ কৰা উচিত।' পাথলগড়ী আন্দোলনত ঝাৰখণ্ডৰ সমৰ্থক প্ৰেমচন্দ্ৰ মুৰ্মুয়ে এইদৰে কয়। অৱশ্যে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী ৰঘুবৰ দাসে এই আন্দোলনৰ আঁৰত নক্সালপন্থী আৰু খ্ৰীষ্টান মিছনেৰীৰ হাত থকা বুলি অভিযোগ উত্থাপন কৰিছে। আদিবাসীসকলক উন্নয়নৰ পৰা দূৰত ৰাখি স্থানীয় খনিজ সম্পদ হস্তগত কৰাৰ অভিসন্ধিৰে নক্সালপন্থীয়ে পাথলগড়ী আন্দোলনৰ স'তে সহজ-সৰল আদিবাসীসকলক আগ্ৰাসী ৰূপত জড়িত হ'বলৈ প্ৰৰোচিত কৰা বুলিও ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে। এই কথাত সন্দেহ নাই যে মূলতঃ উন্নয়নৰ অভাৱতে চৰকাৰৰ প্ৰয়োজনীয়তা এইসকল আন্দোলনকাৰীয়ে অনুভৱ নকৰা হৈছে। চৰকাৰৰ ব্যৰ্থতাত অসন্তুষ্ট হৈয়ে দেশৰ এই ছয় ৰাজ্যৰ আদিবাসীয়ে সংসদ, বিধানসভাৰ প্ৰতি আস্থা হেৰুৱাই গ্ৰামসভাক অগ্ৰাধিকাৰ দিবলৈ বাধ্য হৈছে। পাথলগড়ী আন্দোলনক সময় থাকোতে সংশ্লিষ্ট ৰাজ্যৰ চৰকাৰে গুৰুত্ব নিদিলে এই আন্দোলনে নক্সাল বিদ্ৰোহতকৈও ভয়াৱহ ৰূপ লোৱাৰ শংকা নুই কৰিব নোৱাৰি। ঝাৰখণ্ডৰ খুটি গাঁৱত পাঁচগৰাকী মহিলাক পাথলগড়ী আন্দোলনৰ সমৰ্থকে দলবদ্ধ ধৰ্ষণ কৰা ঘটনাই এনে বিষম পৰিস্থিতি সৃষ্টিৰে ইংগিত দিলে।